সমন্বয় ৰক্ষা কৰি জীৱন নির্বাহ কৰিব লাগে তাৰ শিক্ষা প্রদান কৰা, জনসংখ্যাৰ বিভিন্ন স্তৰত জাতীয় সম্পদৰ সমবিতৰণৰ ব্যৱস্থা কৰা, অর্থনৈতিক বিকাশৰ বাবে উপযুক্ত পৰিকল্পনা আৰু নীতিৰ প্রৱর্ত্তন কৰা আৰু সকলোৰে উর্দ্ধত শৈক্ষিক কার্য্যসূচীত জনসংখ্যা শিক্ষাৰ অর্ন্তভুক্তি কৰা। ই পৰিয়াল, সম্প্রদায়, জাতিৰ লগতে বিশ্বৰ জনসংখ্যা পৰিস্থিতিৰ অধ্যয়নৰ সুযোগ প্রদান কৰে ফলত ছাত্র-ছাত্রী সকলৰ মনত এনে পৰিস্থিতিৰ প্রতি এক যুক্তিসঙ্গত দৃষ্টিভঙ্গী জগাই তুলিব পাৰি।



৪.৭ অধিক জানিবলৈ

1) Barua, Jatin (2009), Parivesh Aru Janasankhya Siksha, Chandra Prakash, Guwahati

2) Gupta, P. K. (2003), Population Education, R. Lall Book Depot, Meerut.

3) Nanda, S. K. (2005), Population Education, Doaba House, Delhi.

৪.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ জীৱনৰ গুণগত মানৰ অর্থ হ'ল এখন দেশৰ জনসাধাৰণৰ জীৱন নির্বাহৰ মানদণ্ড । সৰল ভাষাত ইয়াৰ অর্থ হ'ল জনসাধাৰণৰ দৈহিক, মানসিক আৰু সাংস্কৃতিক প্রয়োজনীয়তা পূৰণৰ সন্তুষ্টি বা সন্তোষ।

২ নং প্রশ্নৰ উত্তৰ ঃ মৌলিক দৈহিক প্রয়োজনীয়তা সমূহ হ'ল -অন্ন, বস্ত্র, বাসস্থান, পানী ইত্যাদি।

৩ নং প্রশ্নৰ উত্তৰ ঃ শৈক্ষিক আৰু নিয়োগৰ সুবিধা, স্বাস্থ্য আৰু চিকিৎসা সুবিধা, আমোদ-প্রমোদৰ সুবিধা, বাক্স্বাধীনতা, আৰেগিক সুৰক্ষা আৰু সৃজনশীলতা প্রকাশৰ সুযোগ-সুবিধা।

৪ নং প্রশ্নৰ উত্তৰ ঃ

(i) জনসংখ্যা বৃদ্ধি মানে জনসংখ্যাৰ সংখ্যা বৃদ্ধি হোৱা যিয়ে এখন দেশৰ জনসাধাৰণৰ জীৱনৰ গুণগত মানদণ্ডত প্রভাৱ পেলায়।

(ii) জনমুৰি আয়ৰ অর্থ হ'ল গড় হিচাবে প্রতিজন ব্যক্তিয়ে দেশৰ বার্ষিক জাতীয় আয়ৰ লাভ কৰা অংশ।